# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - -**

১।　ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ শেষ পৰ্যায়ত বিভিন্ন ৰাজনৈতিক দলৰ ভোটদাতাৰ মন জয় কৰিবলৈ অন্তিম প্ৰচেষ্টা। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্লবৰুৱা আৰু সাংসদ গৌৰৱ গগৈৰ প্ৰচাৰ অভিযানত অংশগ্ৰহণ।

২।　ৰাজ্যপালৰ প্ৰতিভা প্ৰোৎসাহন যোজনাই অসামৰিক সেৱাৰ পৰীক্ষাৰ বাবে সাজু হোৱা ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি গুৱাহাটীত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ মন্তব্য।

৩।　কৃষাৰ্থক পদক্ষেপৰ দ্বাৰা ৰাজ্যৰ ২ লাখৰো অধিক কৃষক উপকৃত হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।　　　**আৰু**

৪।　দক্ষিণ আফ্ৰিকাৰ এবেখাত আজি ভাৰত আৰু ঘৰুৱা দলটোৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ ২৪ ঘণ্টা বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিহালী সমষ্টিত দিগন্ত ঘাটোৱালৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে বেদেতিত আয়োজিত এখন জনসভাত অংশ লয়। একেদৰে মন্ত্ৰী কেশৱ মহন্তই চামগুৰি সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ সমৰ্থনত কলিয়াবৰৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি ধলাই সমষ্টিত এটা মটৰ চাইকেল সমদলত অংশ লোৱাৰ পাছত এখন নিৰ্বাচনী সভাত ৰাইজক সম্বোধি ভাষণ দিয়ে।

কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ এটা পদযাত্ৰাত অংশ লয়। সাংসদ ৰকিবুল হুছেইনে চামগুৰি সমষ্টিৰ অন্তৰ্গত বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই আজি বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ইপিনে, বিহালীত আম আদমী পাৰ্টীয়ে সমষ্টিটোৰ প্ৰাৰ্থী অনন্ত গগৈৰ নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে আজি গেৰাণ্টি কাৰ্ড মুকলি কৰে। সমষ্টিটোৰ বৰগাঁওত অনুষ্ঠিত সংবাদমেলত দলৰ ৰাষ্ট্ৰীয় নেতা তথা উত্তৰ-পূবৰ তত্ত্বাৱধায়ক ৰাজেশ শৰ্মা আৰু ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে পাঁচদফীয়া গেৰাণ্টি কাৰ্ড মুকলি কৰে। এই কাৰ্ডত সমষ্টিটোৰ স্বাস্থ্য, শিক্ষা আৰু পথ উন্নয়নৰ লগতে বিহালী সমষ্টিৰ সংলগ্ন আন্তঃৰাজ্যিক সীমান্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে।

চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত কালি সংঘটিত ৰাজনৈতিক  হিংসাৰ ঘটনা সন্দৰ্ভত আজি বিজেপিয়ে কংগ্ৰেছ দলৰ বিৰুদ্ধে অভিযোগ তুলি নগাঁৱৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰত স্মাৰক-পত্ৰ দাখিল কৰিছে। মন্ত্ৰী বিমল বৰা আৰু বিধায়ক ৰূপক শৰ্মাই এই পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে যোৱা নিশা চামগুৰিৰ পুঠিখাইটিত বিধায়ক জিতু গোস্বামীৰ গাড়ীলৈ দুৰ্বৃত্তৰ গুলীচালনাৰ ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াকে লৈ সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপিৰ সমৰ্থকৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাত কংগ্ৰেছৰ তিনিজন আৰু বিজেপিৰ দুজন লোক আহত হয়। অৱশ্যে ঘটনাৰ সম্ভেদ পাই আৰক্ষীততালিকে সেই স্থানত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিত একাংশ কংগ্ৰেছ সমৰ্থকে বিধায়ক জিতু গোস্বামীক আক্ৰমণ কৰা ঘটনাক গৰিহণা দিছে। এই ঘটনাই দলটোৰ নিৰাশাকে প্ৰতিফলিত কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। ইয়াৰ বিপৰীতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই চামগুৰি সমষ্টিৰ দলৰ প্ৰাৰ্থী তানজিল হুছেইনক ভাবুকি দিয়া বুলি বিজেপিৰ বিৰুদ্ধে অভিযোগ তোলে। তেওঁ এই ঘটনাৰ দোষীক কৰায়ত্ত কৰি শাস্তি বিহাৰ বাবে অসম আৰক্ষীক আহ্বান জনায়।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

ooooo

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই কল্যাণকামী ৰাষ্ট্ৰ এখনৰ ক্ষেত্ৰত অসামৰিক সেৱা চৰকাৰ আৰু জনসাধাৰণৰ মাজত সংযোগ স্থাপন কৰা এখন শক্তিশালী আৰু অতীৱ প্ৰয়োজনীয় সেতু বুলি অভিহিত কৰে। ৰাজ্যপালৰ প্ৰতিভা প্ৰোৎসাহন যোজনাৰ অধীনত ৰাজ্যখনৰ অসামৰিক সেৱা পৰীক্ষাসমূহৰ বাবে সাজু হোৱা নিৰ্বাচিত পৰীক্ষাৰ্থীসকলৰ কাৰণে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত প্ৰস্তুতিমূলক নিৰ্দেশনা অধিৱেশন এখনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে আজি এনেদৰে কয়। যুৱক-যুৱতীসকলক মাতৃভূমিৰ প্ৰতি দায়িত্ব পালনৰ কাৰণে আহ্বান জনাই শ্ৰী আচাৰ্যই ৰাজ্যপালৰ প্ৰতিভা প্ৰোৎসাহন যোজনাই আগ্ৰহী যুৱচামৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াব বুলি মন্তব্য কৰে। এই যোজনাৰ অধীনত আকাংক্ষীসকলক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় দিহা-পৰামৰ্শও আগবঢ়োৱা হ'ব। ভাষণ প্ৰসংগত ৰাজ্যপালে ছাত্ৰ-ছাত্ৰীসকলক ব্যক্তিগত লাভ-লোকচানৰ পৰিসৰৰ বাহিৰত গৈ দেশ তথা জাতিক প্ৰাথমিকতা দিবলৈ আহ্বান জনায়। এই পদক্ষেপে ৰাজ্যৰ যুৱক-যুৱতীসকলক অসামৰিক সেৱাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তোলাৰ লগতে দায়বদ্ধতা তথা সততাৰে নিষ্ঠাবান চৰকাৰী কৰ্মচাৰী হিচাপে গঢ়ি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে। যোজনাটোত প্ৰশিক্ষকৰূপে অংশগ্ৰহণ কৰা ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া চিন্মী কৰণ, আৰণ্যক শইকীয়া, আদিত্য বিক্ৰম সিং আৰু ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া অমিত মাহাতোলৈ ৰাজ্যপালে অনুষ্ঠানটোত কৃতজ্ঞতা প্ৰকাশ কৰে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি শ্ৰী আচাৰ্যই প্ৰাচ্যবিদ্যাৰ্ণৱ পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ এটা ১২ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি উন্মোচন কৰে।

ooooo

অসম কৃষি ব্যৱসায় গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প অৰ্থাৎ এপাৰ্টে ৰাজ্যখনৰ কৃষকসকলৰ বিত্তীয় সাক্ষৰতাৰ লক্ষ্যৰে গ্ৰহণ কৰা কৃষাৰ্থক শীৰ্ষক পদক্ষেপৰ দ্বাৰা ২ লাখৰো অধিক কৃষক উপকৃত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ইয়াৰ ফলত ২ শতাধিক স্থানীয় যুৱক-যুৱতীয়ে কৰ্মসংস্থাপন লাভ কৰিছে। তেওঁলোকে বিত্তীয় সহায়ক হিচাপে কৃষকসকলক তথ্য যোগান ধৰি আহিছে। এই পদক্ষেপৰ সহায়ত ডিজিটেল ব্যৱস্থাৰে বিত্তীয় পৰামৰ্শ প্ৰদান কৰা হয়।

০০০০০

বছৰি বহু পৰিভ্ৰমী পক্ষীৰ সমাগম ঘটা ডিমা হাচাও জিলাৰ জাতিংগা পক্ষী উদ্যানলৈ চলিত বছৰতো ভালেসংখ্যক বিৰল প্ৰজাতিৰ পক্ষীৰ আগমন ঘটিছে। কালি সামৰণি পৰা জাতিংগা মহোৎসৱৰ লগত সংগতি ৰাখি পৰিভ্ৰমী পক্ষী দৰ্শনৰ বাবে দেশ-বিদেশৰ ভালেসংখ্যক পৰ্যটকো জাতিংগা পক্ষী উদ্যানলৈ আহিছে। উল্লেখযোগ্য যে পক্ষী উদ্যানখনত এইবাৰ ৯ বছৰৰ পাছত বিৰল প্ৰজাতিৰ টাইগাৰ বিটাৰ্ণ পক্ষীবিধ দেখিবলৈ পোৱা গৈছে। স্থানীয় লোকসকলৰ পৰিৱেশ সুৰক্ষাৰ দীৰ্ঘদিনীয়া প্ৰয়াসৰ ফলস্বৰূপে চৰাইবিধ আকৌ উপলব্ধ হোৱা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে স্থানীয় ৰাইজক অভিনন্দন জ্ঞাপন কৰিছে। জাতিংগা পক্ষী উদ্যানৰ বিষয়ে বিতং তথ্যৰ সৈতে আমাৰ সংবাদদাতা মনছুন সিং-

**ভইচ কাষ্ট (মনছুন সিং)**

০০০০০

বিশিষ্ট লেখক, সাংবাদিক গুৰমাইল সিঙৰ গৱেষণা গ্ৰন্থ **অদম্য শিখ** আজি নগাঁৱত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট ইতিহাসবিদ ড০ ৰাজেন শইকীয়া কয় যে, ভূগোল আৰু ইতিহাসে মানুহৰ মনস্তত্বৰ দিক নিদৰ্শন কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে এই দুটা উপাদানৰ ভিত্তিত অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰাৰ দৰে গুৰুনানকদেৱে শিখ জাতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই থৈ গৈছে। ভাৰতৰ জাতীয় জীৱনত শিখসকলৰ গুৰুত্বপূৰ্ণ অৱদানৰ বিষয়ে উল্লেখ কৰি বিশিষ্ট ভূগোলবিদ ড০ অৱনী কুমাৰ ভাগৱতীয়ে অসমীয়া শিখসকলে দাঙি ধৰা সমন্বয়ৰ উজ্বল চানেকিৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থাকি উচ্চপদস্থ আৰক্ষী বিষয়া তথা সাহিত্যিক ড০ নন্দ সিং বৰকলাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জীৱন-দৰ্শনৰ সৈতে গুৰুনানকৰ দৰ্শনৰ তুলনাত্মক উল্লেখ দাঙি ধৰে।

০০০০০

ৰাজ্যত মাতৃভাষা মাধ্যমৰ শিক্ষাৰ ক্ষেত্ৰত বাটকটীয়া যোৰহাটৰ বাল্য ভৱন বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপনৰ আজি শুভাৰম্ভ হয়। ১৯৫০ চনৰ ১০ নৱেম্বৰত অসম সাহিত্য সভাৰ মুখ্য কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত দহজন ছাত্ৰৰে অসমীয়া মাধ্যমত মণ্টেচ্ছৰী শিক্ষাৰ আৰম্ভণি কৰা বিদ্যালয়খনে চলিত বৰ্ষত ৭৫ বছৰত ভৰি দিয়ে। এই উপলক্ষে আজিৰে পৰা বিদ্যালয়ৰ প্ৰাংগণত দুদিনীয়াকৈ বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচীৰে মহাৰজত জয়ন্তী পালন কৰা হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি এবেখাত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব। ভাৰতে শুকুৰবাৰে অনুষ্ঠিত

প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয়খন খেল বুধবাৰে চেঞ্চুৰিয়ানত আৰু চতুৰ্থ তথা অন্তিমখন খেল শুকুৰবাৰে জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযান, নিৰ্বাচনী প্ৰস্তুতিকে ধৰি বিভিন্ন দিশ বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত অন্তৰ্ভুক্ত হয়। তদুপৰি, ৰাজ্যিক কৰ্মচাৰীসকলৰ ৩ শতাংশ মৰগীয়া বানচ প্ৰদান সন্দৰ্ভত আনুষ্ঠানিক নিৰ্দেশনা জাৰি, বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকী পালন আদি বাতৰিয়ে বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰিছে।

০০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক ৩ শতাংশ মৰগীয়া বানচ প্ৰদান সন্দৰ্ভত যোৱা সোমবাৰে আনুষ্ঠানিক নিৰ্দেশনা জাৰি কৰা হৈছে। ৰাজ্য চৰকাৰৰ সচিবে এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰে। উল্লেখযোগ্য যে যোৱা ২৭ অক্টোবৰত অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ বৈঠকত ৰাজ্য চৰকাৰৰ অধীনৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধিৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছিল। এই সিদ্ধান্ত চলিত বছৰৰ ১ জুলাইৰ পৰা প্ৰযোজ্য হ'ব।

০০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি ৰাজ্যজুৰি যোৱা মঙলবাৰে বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। সমাধিস্থলত পুৱাৰে পৰা স্মৃতিচাৰণ সভা, সৰ্বধৰ্ম প্ৰাৰ্থনা, গীত-নৃত্যৰ অনুষ্ঠান আদি অনুষ্ঠিত হয়।

০০০০০

চৰাইদেউ মৈদামস্থলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে ভাৰতীয় পুৰাতত্ব জৰীপ বিভাগৰ প্ৰাক্তন সঞ্চালক প্ৰধান ড০ কে চি নৌৰীয়াললৈ টাই আহোম যুৱ পৰিষদে ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটা আগবঢ়াইছে। মঙলবাৰে দিছপুৰ প্ৰেছক্লাবত আয়োজিত এখন সংবাদমেলত পৰিষদৰ নেতৃবৃন্দই এই কথা ঘোষণা কৰি কয় যে, চৰাইদেউ মৈদামস্থলীক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰা সমগ্ৰ প্ৰক্ৰিয়াত তত্বাৱধায়ক হিচাপে হাতপুথি প্ৰস্তুত কৰাকে ধৰি যাৱতীয় নীতি আৰু পৰিকল্পনা প্ৰস্তুত কৰি বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত মুখ্য ভূমিকা পালন কৰাৰ বাবে ড০ নৌৰিয়ালক ২০২৪ বৰ্ষৰ মহাবীৰ লাচিত বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অহা ২৪ নৱেম্বৰত গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই বঁটা প্ৰদান কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় গৃহ সচিব গোবিন্দ মোহনে অলপতে গুৱাহাটীত ৰাজ্যৰ গৃহ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত অংশগ্ৰহণ কৰে। ৰাজ্যৰ মুখ্য সচিব, আৰক্ষী সঞ্চালকপ্ৰধান, গৃহ সচিব আদি জ্যেষ্ঠ বিষয়াসকলে অংশ লোৱা এই বৈঠকত আদিবাসী আৰু কাৰ্বি উগ্ৰপন্থী গোটকে ধৰি কেইবাটাও সংগঠনৰ সৈতে শান্তি চুক্তি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰা হয়। এই আলোচনাত আত্মসমৰ্পণকাৰী তথা মূল সুঁতিলৈ উভতি অহা উগ্ৰপন্থী সংগঠনসমূহৰ সদস্যৰ পুনৰ সংস্থাপন আদি বিষয়ত আলোকপাত কৰা হয়।

০০০০০

নীতি আয়োগে জল ব্যৱস্থাপনা, সংৰক্ষণ আৰু বহনক্ষমতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে যোৱা বুধবাৰে ১৫ দিনীয়া জল উৎসৱ আৰম্ভ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা বছৰৰ ডিচেম্বৰত অনুষ্ঠিত মুখ্য সচিবসকলৰ তৃতীয় সন্মিলনত নদী উৎসৱৰ লেখিয়াকৈ জল উৎসৱ উদযাপনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নীতি আয়োগে প্ৰকাশ কৰা মতে দেশৰ ২০ খন অভিলাসী জিলা আৰু বিভিন্ন উন্নয়ন খণ্ডত ৬ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ ৰাষ্ট্ৰীয় জল জীৱন মিছন, খোৱাপানী আৰু অনাময় বিভাগ আৰু জলশক্তি মন্ত্ৰালয়ৰ সহযোগিতাত এই অভিযানৰ আয়োজন কৰা হৈছে।

০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে বুধবাৰে বাক্সা জিলাৰ দৰঙাত এটা ইমিগ্ৰেচন তালাচী চকীৰ নতুন ভৱন মুকলি কৰা হয়। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূ-বন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাছো চেৰিং ট'বগেই যুটীয়াভাৱে ভৱনটো উদ্বোধন কৰে।

০০০০০

জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে কাম কৰি আহিছে বুলি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জুৱেল অ'ৰামে পৰহি গুৱাহাটীত মন্তব্য কৰে। জনজাতি বসতি প্ৰধান অঞ্চলত ২৫ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত পূৰ্বোত্তৰ আদি মহোৎসৱত প্ৰকাশ কৰে। পূৰ্বোত্তৰ আদি মহোৎসৱ উদ্বোধন কৰি তেওঁ লগতে কয় যে, উত্তৰ-পূবৰ ৰাজ্যসমূহে জৈৱিক কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

০০০০০

ৱাকফ সংশোধনী বিধেয়কক লৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য চৰকাৰ আৰু সংগঠনৰ প্ৰতিনিধিৰ সৈতে আলোচনা কৰাৰ উদ্দেশ্যে গুৱাহাটীলৈ অহা যুটীয়া সংসদীয় সমিতিয়ে কালি গুৱাহাটীত এখন বৈঠকত মিলিত হয়। সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাৰ এই সংসদীয় সমিতিৰ আন সদস্য সকলৰ ভিতৰত সাংসদ অপৰাজিতা চাৰংগী আৰু দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াও আছে। উল্লেখযোগ্য যে, এই সমিতিৰ অধ্যক্ষ জগদম্বিকা পালৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰি বিৰোধী পক্ষৰ সদস্য সকলে আজিৰ এই বৈঠকত অংশগ্ৰহণৰ পৰা বিৰত থাকে। অৱশ্যে, অসম ৰাজ্যিক জমিয়ত ওলেমাৰ এটা সঁজাতি দলে বদৰুদ্দিন আজমলৰ নেতৃত্বত আজি বিয়লি সংসদীয় সমিতিৰ সৈতে প্ৰায় ৩০ মিনিট সময় ধৰি আলোচনাত মিলিত হয় আৰু তেওঁলোকৰ বক্তব্য দাঙি ধৰে। সঁজাতি দলটোৰ জমিয়তৰ সম্পাদক ৰফিকুল ইছলামকে ধৰি আন ছগৰাকী সদস্যও আছিল।

এয়াই আছিল বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহৰ চমু অৱলোকন।

০০০০০

সমাপ্ত